**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :20-08-2025 **Time :** 1205Hrs.

## **Assamese Midday Bulletin**

অসমৰ ইতিহাস আৰু সংস্কৃতিৰ অবিচ্ছেদ্য অংশ বিশ্বনাথ জিলাৰ চতিয়াৰ গৌৰৱময় ঐতিহ্য উদযাপনৰ বাবে আজি চতিয়া দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উদযাপনত অংশ লোৱাৰ কথা। ১৯৪২ চনৰ আজিৰ দিনটো চতিয়াৰ ইতিহাসত সোণালী আখৰেৰে লিখা আছে। এই দিনটোতে হাজাৰ হাজাৰ মুক্তিকামী জনতাই চতিয়া থানাত ব্ৰিটিছ ইউনিয়নৰ জেক অৱনমিত কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। এই দিনটো সুঁৱৰি চতিয়াবাসী ৰাইজে পালন কৰিবলৈ লোৱা চতিয়া দিৱস এইবাৰ চৰকাৰীভাৱে পালন কৰা হৈছে।

oooooo

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজিসংসদভৱনত মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজু আৰু এন ডি এ মিত্ৰ যুটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই মনোনয়ন পত্ৰ দাখিল পৰ্বত উপস্থিত থাকে।

ইপিনে উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে বিৰোধীৰ INDI মিত্ৰজোঁটে অন্ধ্ৰ প্ৰদেশৰ বি সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থীৰূপে মনোনীত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম কালি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ঘোষণা কৰে। বিৰোধীৰ INDI মিত্ৰজোঁটে বৈঠকৰ অন্তত প্ৰাক্তন ন্যায়াধীশগৰাকীক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বাছনি কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত বৈঠকৰ পাছতে INDI মিত্ৰজোঁটৰ অন্যতম নেতা তথা NCP-ৰ শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰ আৰু মল্লিকাৰ্জুন খাৰ্গেই সংবাদমেলত বি সুদৰ্শন ৰেড্ডীৰ নাম ঘোষণা কৰে।

অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ আগষ্টত  মনোনয়ন পত্ৰ পুনৰীক্ষণ কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৫ আগষ্ট ধাৰ্য কৰা হৈছে।

ooooooo

শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি জনতা ভৱনৰ পৰা জিলা আয়ুক্ত, অতিৰিক্ত আয়ুক্ত, বিদ্যালয় পৰিদৰ্শক আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচী **উল্লাস** সম্পৰ্কে আলোচনা কৰে। বৈঠকত শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাত এই আঁচনিৰ অধীনত চলি থকা কাৰ্যক্ৰমৰ পৰ্যালোচনাৰ লগতে আসন্ন পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে জিলা প্ৰশাসন আৰু অধ্যক্ষসকলক যাবতীয় নিৰ্দেশ দিয়ে। শিক্ষা লাভৰ পৰা বঞ্চিত দেশৰ ১৫ বছৰ তাতকৈ অধিক বয়সৰ সকলো প্ৰাপ্তবয়স্ক লোকক

সাক্ষৰতামূলক কাৰ্যসূচীৰে সৱল কৰি তুলি ৰাষ্ট্ৰৰ উন্নয়নত অৰিহণা যোগাবলৈ সমৰ্থ কৰি তোলাৰ উদ্দেশ্যে এই আঁচনি ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত লিখা পঢ়াৰ লগতে জীৱনৰ কৌশল সম্পৰ্কে শিক্ষাদানেৰে শিকনৰ প্ৰতি উৎসাহিত কৰা হয়।

oooooooo

অসম আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতক পৰিচৰ্যা গোট এন আই চি ইউ -ত এটি ১৫ দিনীয়া নৱজাতকৰ মৃত্যুৰ তদন্তৰ অংশ হিচাপে কালি কমেও ৭ জন লোকক গ্ৰেপ্তাৰ কৰে। সুত্ৰ পৰা জানিব পৰা মতে চিকিৎসালয়খনৰ একাংশ নিম্নবৰ্গৰ কৰ্মীয়ে সেৱাৰ বিনিময়ত ধন দাবী কৰা বুলি অভিযোগ উঠিছে। আৰক্ষীয়ে এই সংক্ৰান্তত ৭জন ট্ৰলী টনা লোকক গ্ৰেপ্তাৰ কৰিছে।

oooooooo

আধুনিক অসমীয়া সাহিত্যৰ বিশিষ্ট কবি, ঔপন্যাসিক, সমালোচক, অনুবাদক অজিত বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি গুৱাহাটীৰ বেলতলা মহাবিদ্যালয়ত অহা শনিবাৰে দিনৰ চাৰে ১১ বজাত দশম বাৰ্ষিক অজিত বৰুৱা স্মাৰক বক্তৃতাৰ আয়োজন কৰা হৈছে। অজিত বৰুৱা অনুৰাগী সমাজ আৰু বেলতলা মহাবিদ্যালয়ৰ যুটিয়া উদ্যোগত আয়োজিত এই অনুষ্ঠানত অজিত বৰুৱা স্মাৰক বক্তৃতা ২০১৬-২০২৫ শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হ'ব।

oooooooo

শ্ৰীভূমি আৰক্ষীয়ে আজি পুৱামাৰা বাইপাছত অভিযান চলাই ২৯ হাজাৰৰো অধিক য়াবা টোবলেট জব্দ কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত দুজন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰে।

oooooooo

অসম বেডমিণ্টন সন্থাই আজিৰে পৰা ৩০ আগষ্টলৈ ৰাজ্যৰ চাৰিখন জিলাত অস্মিতা চিটী বেডমিণ্টন লীগৰ আয়োজন কৰিছে। সন্থাৰ সম্পাদক ওমৰ ৰছিদে কালি সংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটী, শিৱসাগৰ, যোৰহাট আৰু ডিব্ৰুগড়ত খেলোৱা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে দেশত মহিলা খেলুৱৈসকলৰ প্ৰতিভা বিকাশ আৰু উত্তৰণৰ লক্ষ্যৰে অস্মিতা আঁচনি গ্ৰহণ কৰি বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাত ছোৱালীৰ ১৫, ১৭ আৰু ১৯ বছৰ অনূৰ্ধ একক শাখাৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সূচী অনুসৰি আজিৰে পৰা ২২ আগষ্টলৈ গুৱাহাটীত, ২৪ৰ পৰা ২৬ আগষ্টলৈ শিৱসাগৰত, ২৬ৰ পৰা ২৮ আগষ্টলৈ যোৰহাটত আৰু ২৮ৰ পৰা ৩০ আগষ্টলৈ ডিব্ৰুগড়ত অস্মিতা চিটী বেডমিণ্টন লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব।

oooooooo

যোৰহাটত আজিৰে পৰা অল ইণ্ডিয়া ফুটবল ফেডাৰেছনৰ ১৬ বছৰ অনূৰ্ধ ছোৱালীৰ টায়াৰ ওৱান টুৰ্ণামেণ্টৰ বাবে ভাৰতৰ বিভিন্ন ঠাইৰ দলসমূহ উপস্থিত হৈছে। নাগালেণ্ড, অৰুণাচল, মেঘালয়, অন্ধ্ৰপ্ৰদেশ, ঝাৰখণ্ড, দিল্লী আদি ঠাইৰ খেলুৱৈসকলক যোৰহাট ক্ৰীড়া সন্থাই আদৰণি জনাইছে বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জানিবলৈ দিছে। যোৱা বছৰ ফুটবল ফেডাৰেছনৰ টায়াৰ টু ৰ ১৬ বছৰ অনূৰ্ধ টুৰ্ণামেণ্টখনৰ সফলতাৰ পাছত যোৰহাট জিলা ক্ৰীড়া সন্থাই দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলখন অনুষ্ঠিত কৰিবলৈ লৈছে।

OOOOOOO